# Assam Legislative Assembly Debates

REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library

सत्यमेव जयते

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION, 1989

VOL 1

**NO. 8**

The 30th March, 1989

Price, Rs. 18.75

REFERENCE
(NOT FOR ISSUE)

Reading Only Inside Library

# CONTENTS

## BUDGET SESSION

Volume — I No. 8

Dated the 30th March, 1989

| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—61 |
| 2. | Voting on Vote on Accounts for 1989-90 | 62—79 |
| 3. | Introduction Consideration and Passing of the Assam Appropriation ( Vote on Accounts Bill, 1989 ) | 80—82 |
| 4. | Adjournment | 83 |
| 5. | Annexure—I to XI | 83—99 |

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, March 30, 1989.

**The House met at 9 A. M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.**

### STARRED
### QUESTIONS & ANSWERS
( To which oral answers were given )

**Re: 30 Bedded Hospital of Orang and PHC of Mazbat and Rowta Chariali.**

Sri Silvius Condpan asked:

★ **121:** Will the Minister Health & F. W. Assam be pleased to State:

When will the Government complete the construction of 30 Bedded Hospital building at Orang and PHC's at Mazbat and Rowta Chariali within Darrang District which are already sanctioned two years before?

Shri Samsing Hanse (Minister Health & F. W.) replied:

1. **Orang:** Plan & Estimates for 30 Bedded Hospital at Orang have not yet been received from P.W.D. who are preparing the Plan & Estimate.

2. **Mazbat:** State Dispensary building completed and handed over by P.W.D. The State Dispensary has been upgraded to PHC with sanction of additional staff only.

3. **Rowta Chariali PHC:** All quarters completed and handed over by P. W. D. except main PHC building.

Shri Silvius Condpan : Mr. Speaker Sir, may I know from the Hon'ble Minister whether the plan and estimate have been sought for from the Department of Public Works by the Health Department. Secondly, Sir, regarding Mazbat State Primary Health Centre building of State Dispensary has been utilised, but I want to know whether the plan and estimate is sufficient to meet the requirement of PHC. Thirdly, Sir, the Rowta Chariali PHC is under Tribal Sub-Plan area and it was to be constructed from TSP fund. Then, what is the constrain in not constructing the building ?

শ্ৰীচামচিং হান্সে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্লেন এণ্ড ইষ্টিমেট সম্পৰ্কে আমি মাজে সময়ে গড় কাপ্তানী মন্ত্ৰীৰ লগত যোগাযোগ কৰি আছো আৰু তেখেতৰ ২ নং অতিৰিক্ত প্ৰশ্নটো ইয়াত নাই। ২ নং ত পি, এইচ, চি সম্পৰ্কে দিয়া হৈছে গতিকে এইটোৱে যথেষ্ট। ৩ নং ত কোৱা হৈছে যে টকা পইচাৰ কাৰণেই আমি কামবিলাক কমপ্লিট কৰিব পৰা নাই।

শ্ৰীদেব কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে যিবিলাক কাম কৰিলে আৰু যিবিলাক টকাৰ কাৰণে আধৰুৱা হৈ আছে, সেইবিলাক সম্পূৰ্ণ কৰিবৰ কাৰণে চৰকাৰে কি চিন্তা কৰিছে ?

শ্ৰীচামচিং হান্সে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক গৃহ নিৰ্ম্মাণৰ কাৰণে কাম সম্পূৰ্ণ হৈছে আৰু কিছুমান হস্পিতেলত যাৱতীয় সামগ্ৰী কিনিবৰ কাৰণে নিবিদা আহ্বান কৰাৰ পিচত সেই সামগ্ৰীবোৰ আহিছে। গতিকে আমি আধৰুৱা কামবিলাক কৰিবলৈ চেষ্টা কৰিম।

শ্ৰীদেৱ কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, ৰৌটা চাৰিআলিৰ কাৰণে সকলো কুৱাটাৰ সম্পূৰ্ণ হৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি, যে কেৱল পি, এইচ, চিৰ কাৰণে ফাণ্ড এভেইলএবুল নহয় বুলি ?

শ্ৰীচামচিং হান্সে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি বছৰি যিখিনি অনুদান পাওঁ সেইখিনিয়ে যথেষ্ট নহয়।

Shri Abdul Rob Laskar : Sir, what is the number PHC constructed under TSP head during 1988-89 ?

শ্ৰীচামচিং হান্সে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে আৰু বেলেগ প্ৰশ্ন কৰিলে ভাল হয়।

Mr. Speaker : Next question.

বিষয় : আৰ, এল, ই, জি, পি, আঁচনিৰ বাবে কেন্দ্ৰীয় অনুদান।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

★ ১২২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৮-৮৯ চনৰ আৰ, এল, ই, জি, পি, আঁচনিৰ বাবে কেন্দ্ৰই কিমান ধন আগবঢ়াইছে ?

(খ) ১৯৮৬-৮৭, ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰত আঁচনি সমূহৰ বাবে কিমান ধন আগবঢ়াইছিল ?

শ্ৰীগণেশ কুটুম, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আৰ, এল, ই, জি, পি আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন বছৰত আগবঢ়োৱা ধনৰ পৰিমান এনেধৰনৰ :

১৯৮৮-৮৯ : ১২২০.০০ লাখ

অতিৰিক্ত : ১৭৩.২৫ লাখ

(খ) ১৯৮৬-৮৭ : ৯৮৫.৫১ লাখ

১৯৮৭-৮৮ : ৭৪৬.২৬ লাখ

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ১৯৮৮-৮৯ চনত আৰ, এল, ই, জি, পি আঁচনিৰ বাবে ১২২০.০০ লাখ টকা আৰু ১৭৩.২৫ লাখ টকা অতিৰিক্ত হিচাবে কেন্দ্ৰীয় চৰকাৰে দিয়ে। এতিয়া ১৯৮৮-৮৯ চনত আঁচনিৰ বাবদ যিখিনি টকা দিছিল সেইখিনি কাৰ্য্যকৰী কৰিবৰ কাৰণে জিলাৰ বিষয়া সকলক এই বিষয়ে নিৰ্দ্দেশ দিয়া হৈছে নে নাই ? ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত যিখিনি অনুদান দিয়া বুলি কৈছিল, সেই সম্পৰ্কত আমাৰ আগৰ বিধান সভাত পঞ্চায়ত মন্ত্ৰী মহোদয়ে এই বিষয়ে অনুদান পোৱা নাই বুলি সদনত জনাইছিল। কিন্তু আজি আমি সুখী হৈছো যে ১৯৮৬-৮৭ চনত ৯৮৫.৫১ লাখ আৰু ১৯৮৭-৮৮ চনত ৭৪৬.২৬ লাখ কেন্দ্ৰীয় চৰকাৰে আগবঢ়াইছে। ৰাজীৱ গান্ধী চৰকাৰৰ পৰা যিখিনি টকা আহিছে এতিয়াৰ পৰা বাকী থকা আঁচনিৰ কাম কাৰ্য্যকৰী কৰিবনে ?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে ১৯৮৮-৮৯ চনত যিখিনি টকা পাইছো সেইখিনি টকা বিভিন্ন জিলাৰ গ্ৰামোন্নয়নৰ বাবে মঞ্জুৰী কৰা হৈ গ'ল। ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত আৰ, এল, ই, জি, পি আঁচনিত যিবিলাক আধৰুৱা হৈ আছিল, সেই আধৰুৱা কাম সামাজিক বনানিকৰণৰ উন্নতিৰ বাবে খৰছ কৰা হ'ব। লগতে সমূহীয়া গ্ৰামোন্নয়নৰ বাবে টকা প্ৰেৰণ কৰা হৈছে।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয় ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত আৰ, এল, ই, জি, পিৰ আঁচনিৰ অধীনত স্কুল আৰু ৰাস্তাৰ কাৰণে গ্ৰাম্য অঞ্চলত আজিলৈকে কাৰ্য্যকৰী কৰা হৈছে বুলি মাননীয় মন্ত্ৰী মহোদয়ে কৈছে গ্ৰাম্য অঞ্চলত কি কি আঁচনি কাৰ্য্যকৰী কৰা হৈছে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৭-৮৮ চনত ৰাস্তাৰ কাৰণে যিখন আঁচনি আছিল তাৰ কাৰণে ভাৰত চৰকাৰে আমাক অনুমোদন দিছিল। কিন্তু ৯৮৫.৫১ লাখ টকা ৰাস্তাবিলাকৰ কাৰণে আঁচনিত অনুমোদন হৈ নহাত আৰু মঞ্জুৰী হবলৈ ৭৪৬.২৬ লাখ টকা সেই সম্পৰ্কত ৰাস্তা সম্পূৰ্ণ কৰা নহব।

শ্ৰীকুল বাহাদুৰ চেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, আৰ, এল, ই, জি, পিৰ আঁচনিত ৰাস্তা সম্পৰ্কে দুবছৰে কৰিব পৰা নাই। গতিকে মন্ত্ৰী মহোদয়ে এইটো স্পষ্টকৈ জনাবনে যে টকা খিনি কেতিয়ালৈকে মুকলি কৰি দিয়া হব?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আঁচনিবিলাক ভাৰত চৰকাৰে অনুমোদন কৰিছিল এতিয়াও কিছুমান আঁচনি পঠোৱা হৈছে। আমি আশা ৰাখিছো এই বিলাক অনুমোদন হোৱাৰ পিচত কাৰ্য্যত ৰূপায়িত কৰিব পাৰিম।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, স্কুল আদিৰ ক্ষেত্ৰত ১৯৮৬-৮৭ চনত টকাতো খৰছ হোৱা বুলি কৈছে। কিন্তু ৰাস্তাৰ ক্ষেত্ৰত খৰছ হোৱা নাই বুলি কৈছে। মই জনাত ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত কোনো কাম হোৱা আমাৰ ন'টিচত অহা নাই। মাননীয় মন্ত্ৰী মহোদয়ে ভালদৰে পৰীক্ষা কৰি জনাবনে যে এই দুটা বিত্তীয় বছৰত কিমান খিনি কাম হৈছে?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : কাম বিলাক কৰাৰ কাৰণে জিলা গ্ৰামোন্নয়ন সংস্থালৈ নিৰ্দ্দেশ দিয়া হৈছে। আৰু মাননীয় সদস্য সকল যেতিয়া নিজেই বি, এল,

চি, চি, আদিৰ সভাপতি গতিকে তেওঁলোকে কোন বিলাক স্কুল লোৱা হব সেইটো নিজেই গম পাব। অৱশ্যে কোনো কোনো ঠাইত লেহেম গতিত কাম হোৱাতো মোৰো দৃষ্টি গোচৰ হৈছে।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮-৮৯ চনৰ আৰ, এল, ই, জি, পিৰ শিতানৰ টকা সম্পূৰ্ণ ভাবে বিলিজ হৈ গ'ল নে নাই মন্ত্ৰী মহোদয়ে জনাবনে? মোৰ ২য় প্ৰশ্ন হৈছে, ১৯৮৭-৮৮ চনৰ আৰ, এল, ই, জি, পিৰ জৰিয়তে যিবিলাক স্কুল ঘৰ বন্ধাবলৈ আৰম্ভ কৰা হৈছিল সেইবিলাকত ৰূফফ্ৰেম যোগান নধৰাৰ কাৰণে সেইবিলাক আধৰুৱা হৈ আছে। আৰু যোৰহাট জিলালৈ এই ৰূফফ্ৰেম পঠোৱা তিনিখন ট্ৰাক মাজ ৰাস্তাতে নাইকীয়া হোৱা কথাটো মন্ত্ৰী মহোদয়ে জানে নেকি?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে পুঁজি প্ৰেৰণ কৰা হৈছে। দ্বিতীয়তে, যোৰহাট জিলালৈ যি ৰূফফ্ৰেম পঠোৱাৰ কথা কৈছে সেইটো আমাৰ দৃষ্টিগোচৰ হৈছে। আৰু বিভাগীয় নথি অনুযায়ী গোচৰ তৰা হৈছে। আৰু মই জনাত দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা: গাড়ী তিনিখন যোৰহাট নোপোৱাৰ কাৰণে গোটেই অঞ্চলতে কাম বিলাক আধৰুৱা হৈ আছে। মন্ত্ৰী মহোদয়ে দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি কৈছে, গতিকে এই বিষয়ে নতুনকৈ ৰূফফ্ৰেম যোগান ধৰাৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী): সামগ্ৰী সমূহ নতুনকৈ ইয়াৰ পৰা প্ৰেৰণ কৰা হ'ব।

শ্ৰীকুমাৰ দীপক দাস: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ১৯৮৭-৮৮ চনৰ কাৰণে আৰ, এল, ই, জি, পিৰ শিতানত অকল স্কুল ঘৰৰ কাৰণে ধন চেংশ্যন কৰা হৈছে বুলি কৈছে, মোৰ প্ৰশ্নটো হ'ল ৰাস্তাৰ কাৰণে কিয় চেংশ্যন কৰা নহ'ল? আমি শুনামতে ইয়াৰ পৰা আঁচনি প্ৰেৰণ কৰা হোৱা নাই। বেলেগ ৰাজ্যৰ কাৰণে কিন্তু চেংশ্যন হৈছে। অসমত কিয় হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী): ইয়াৰ পৰা ৰাস্তাৰ কাৰণে আঁচনি প্ৰেৰণ কৰা হোৱা নাই, কথাটো সত্য নহয়, আঁচনি প্ৰেৰণ কৰা হৈছিল কিন্তু অনুমোদন হৈ ঘুৰি অহা নাই।

বিষয় : দিখৌমুখ, হাফালুটিং আৰু বৰচিলাৰ প্ৰস্তাৱিত স্বাস্থ্য কেন্দ্ৰ।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে :

★ ১২৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শিৱসাগৰ জিলাৰ দিখৌমুখৰ চিকিৎসালয়খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নতিকৰণৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(খ) আমগুৰি সমষ্টিৰ হাফালুটিং অঞ্চলত প্ৰস্তাৱিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়টো কেনে অৱস্থাত আছে আৰু যদি বৰ্ত্তমানেও একো ব্যৱস্থা লোৱা নাই তেন্তে কেতিয়া ব্যৱস্থা লব?

(গ) শিৱসাগৰ জিলাৰ বৰচিলাত প্ৰস্তাৱিত চিকিৎসালয়ৰ নিৰ্ম্মাণৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে আৰু কিমান খিনি কাম আগবাঢ়িছে জনাবনে?

শ্ৰীচামচিং হান্সে (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) দিখৌমুখৰ চিকিৎসালয়খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নিতকৰণৰ বাবে গড়কাপ্তানী বিভাগে প্ৰাক্‌কলন প্ৰস্তুত কৰি চৰকাৰলৈ পঠাইছে পুঁজিৰ অভাৱত এতিয়ালৈকে মঞ্জুৰী দিব পৰা নাই।

(খ) হাফালুটিংত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে গড়কাপ্তানী বিভাগক প্ৰাক্‌কলন প্ৰস্তুত কৰিবৰ বাবে অনুৰোধ কৰা হৈছে। প্ৰাক্‌কলন পালেই পুঁজিৰ সাপেক্ষে ব্যৱস্থা লোৱা হব।

(গ) শিৱসাগৰ জিলাৰ বৰচিলাত এখন ৩০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপনৰ বাবে প্ৰাক্‌কলন বিচৰা হৈছে। এতিয়ালৈকে পোৱা নাই।

শ্ৰীপ্ৰদীপ হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰাক্‌কলন আহোতে আহোতে আজি তিনি বছৰেই হ'ল। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব পাৰো নেকি যে এই প্ৰাক্‌কলন আহোতে আৰু কিমান বছৰৰ প্ৰয়োজন হব। কাৰণ প্ৰাক্‌কলন আহি পায় মানে জনসাধাৰণৰ যথেষ্ট অসুবিধা হব। এই প্ৰাক্‌কলন প্ৰস্তুত কৰিবৰ কাৰণে বিভাগীয় মানুহবিলাক যেতিয়া যায় তেতিয়া তেওঁলোকে হস্পিতালৰ কাম আৰম্ভ হব বুলি ভাবে। কিন্তু আজি তিনি বছৰে এই কামটো আৰম্ভ নোহোৱাত বিধায়ক হিচাবে সেইবিলাক অঞ্চলত যোৱাতো আমাৰ অসুবিধা হৈছে। এই বৰচিলাখন ৯ খন বাগানৰ মাজত আছে। গতিকে ইয়াৰ কাম খৰতকীয়া ভাবে কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লব নেকি?

শ্ৰীচামচিং হান্সে (মন্ত্ৰী) : হস্পিতালৰ প্ৰাক্‌কলন প্ৰস্তুত কৰিবৰ কাৰণে আমি গড়কাপ্তানী বিভাগক জনাম আৰু সুধি চাম সোণকালে কৰিবৰ কাৰণে চেষ্টা চলাম।

শ্ৰীভবেন বৰুৱা : যোৱা বিত্তীয় বছৰত কিমান টকা ৩০ খন বিচনা যুক্ত হস্পিতালৰ কাৰণে চৰকাৰে অনুমোদন জনাইছে?

শ্ৰীচামচিং হান্সে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগে প্ৰশ্ন কৰিলে উত্তৰ দিব পৰা হব।

শ্ৰীপ্ৰদীপ হাজৰিকা : মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত মই সন্তুষ্ট হব পৰা নাই। তেখেতে যিটো কথাৰ উত্তৰ দিছে যে প্ৰাক্‌কলন বনাওতে কিমান সময় লব মই নাজানো আৰু বিভাগক সুধি চাব লাগিব। তেওঁলোকক সুধিলে ১০ বছৰ মান লাগিব বুলিয়ো কব পাৰে। আমাৰ সাধাৰণ জ্ঞানৰ পৰা নিজে গৈ চাৰ্ভে কৰি এক মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰি। এক মাহৰ ভিতৰত কামটো যদি সম্ভৱ হয় সেইটো জনাব লাগে আৰু যদি নহয় সেইটোও জনাব লাগে তেতিয়া হলে আমি বাচি যাম।

শ্ৰীচামচিং হান্সে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সদস্য গৰাকীক জনাব খোজো যে প্ৰাক্‌কলন স্বাস্থ্য বিভাগে প্ৰস্তুত নকৰে, গড়কাপ্তানী বিভাগে কৰে। আমি যোগাযোগহে কৰিব পাৰো। গতিকে সোনকালে কৰাব কাৰণে চেষ্টা কৰিম।

বিষয় : কলাইগাওঁ আৰু খৈৰাবাৰী ৰাজ্যিক পশু চিকিৎসালয়।

শ্ৰীমহেন্দ্ৰমোহন ৰায় চৌধুৰীয়ে সুধিছে :

★ ১২৪। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মঙলদৈ মহকুমাৰ অন্তৰ্গত কলাইগাওঁ ৰাজ্যিক পশু চিকিৎসালয় আৰু ওদালগুৰি মহকুমাৰ খৈৰাবাৰী ৰাজ্যিক পশু চিকিৎসালয় দুখনৰ গৃহৰ অৱস্থা অতি শোচনীয় আৰু চিকিৎসালয় দুখনৰ চাৰিওফালে বেৰ নথকা কথাটো সত্য নে?

(খ) উক্ত চিকিৎসালয় দুখনৰ উন্নতিৰ কাৰণে স্থানীয় বিধায়কে চৰকাৰক অনুৰোধ কৰি থকা কথাটো সঁচানে?

(গ) চিকিৎসালয় দুখনৰ উন্নতি ও মেৰামতিৰ কাম সোনকালে কৰাব ব্যৱস্থা লবনে?

শ্ৰীদিলীপ শইকীয়া সোনোৱাল (পশুপালন বিভাগৰ ৰাজিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) মঙলদৈ মহকুমাৰ অন্তৰ্গত কলাইগাওঁ ৰাজ্যিক পশু চিকিৎসালয়ৰ অৱস্থা শোচনীয় নহলেও অতি শীঘ্ৰে মেৰামতিৰ আৱশ্যক। অৱশ্যে এই পশু চিকিৎসালয়ৰ চৌহদৰ বেৰৰ অৱস্থা শোচনীয়। ওদালগুৰি মহকুমাৰ অন্তৰ্গত খৈৰাবাৰী ৰাজ্যিক পশু চিকিৎসালয়ৰ আৰু চাৰিবেৰৰ অৱস্থা শোচনীয়।

(খ) সঁচা।

(গ) হয়, ব্যৱস্থা কৰা হৈছে।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থাটো কেনেকুৱা ভাবে লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

শ্ৰীদিলীপ শইকীয়া সোনোৱাল (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কলাই-গাওঁ পশু চিকিৎসালয় গড়কাপ্তানী বিভাগে নিৰ্ম্মাণ কৰিছিল। কোন বছৰত নিৰ্ম্মাণ কৰিছিল এই বিষয়ে তথ্য সংগ্ৰহ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যিহেতু এই পশু চিকিৎসালয় গড়কাপ্তানী বিভাগে নিৰ্ম্মাণ কৰিছিল এতেকে ইয়াৰ মেৰামতিৰ দায়িত্বও গড়কাপ্তানী বিভাগৰ ওপৰত। মেৰামতিৰ কাৰণে প্ৰয়োজনীয় প্ৰাক্কলন প্ৰস্তুত কৰি গড়কাপ্তানী বিভাগৰ ওচৰত দাখিল কৰা হৈছে। এই বছৰত প্ৰয়োজনীয় ধনৰ মঞ্জুৰী গড়কাপ্তানী বিভাগত যোগান ধৰিব পৰা হোৱা নাই। অহা বিত্তীয় বছৰত গড়কাপ্তানী বিভাগত যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে।

## বিষয় : প্ৰাথমিক চিকিৎসা কেন্দ্ৰত কৰ্ম্মচাৰী নিযুক্তি।

শ্ৰীৰবীন শইকীয়াই সুধিছে :

★ ১২৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শোনিতপুৰ জিলাৰ চতিয়া সমষ্টিৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰ কেইটাত ডাক্তৰ নাৰ্চ কৰ্ম্মচাৰী নিযুক্তি দিয়া হলনে ?

(খ) যদি নাই হোৱা তেন্তে কেতিয়াকৈ ডাক্তৰ নাৰ্চ ঔষধ পাতি দিয়াৰ ব্যৱস্থা কৰিব ?

শ্ৰীচামচিং হান্সে (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) নৱনিৰ্ম্মিত ভেলোগুৰি আৰু ইটাখোলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ দুটাৰ বাহিৰে বাকী কেন্দ্ৰ সমূহত নিযুক্তি দিয়া হৈছে। ইটাখোলাত এজন ডাক্তৰে কামত যোগ দিছে।

(খ) অতি সোনকালে ডাক্তৰ নিযুক্তি দিয়া হব। অন্যান্য কৰ্মচাৰীও যিমান সম্ভৱ সোনকালে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হব।

শ্ৰীৰবিন শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব পাৰো নেকি যে আমাৰ জামুগুৰি চাৰচিডিয়াৰী হেলথ্ চেণ্টাৰত আজি ৩ মাহ ধৰি ডাক্তৰ নাই। যদি ডাক্তৰ দিয়া হোৱা নাই তেতিয়াহলে আজিৰ ভিতৰতেই এজন ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীচামচিং হান্সে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তাত ডাক্তৰ দিয়া হৈছে। মাননীয় সদস্য গৰাকীয়ে তাত গৈ দেখিব তাত ডাক্তৰ দিয়া হৈছে।

**Re : Tumour Registry of I. C. M. R.**

★ 126. Will the Minister Health be pleased to state :

(a) Whether a Hospital Tumour Registry of Indian Council of Medical Research was set-up at Assam Medical College, Dibrugarh ?

(b) If so, when and is it still continuing ?

(c) Whether it is a fact that this work is sponsored by the ICMR with 75% grant for its expenses and the remaining 25% are to be contributed from the State funds ?

(d) If so, has the I.C.M.R. grant been regular ?

(e) If so, why the State contribution is not forthcoming ?

(f) Whether it is a fact that the State employees working under this Project have not received their full salaries since 1987 ?

(g) If so, what are the reasons ?

Sri Samsing Hanse (Minister of Health & Family Welfare) replied :

a) yes.

b) Yes, from 1-4-82.

c) Yes.

d) Yes.

e) Payment of State's contribution was delayed due to non-finalisation of the budgetary arrangement.

f) Yes, meanwhile 25% State's share has been sanctioned.

g) As stated against (c) above.

Shri Binai Khungur Basumatary : Sir, does the Minister consider that this work is the primary work for detection of cancer and If so, why, as he said, the contribution of 25% could not be sanctioned earlier from the state exchanger ?

Shri Samsing Hanse (Minister) : There were some prob lems. Howver, they will now on get the salary.

বিষয় : ১৯৭৮-৭৯ চনত গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা পাৱাৰ টিলাৰ ক্ৰয়।

শ্ৰীকামাখ্যা চৰণ চৌধুৰীয়ে সুধিছে :

★ ১২৭। মাননীয় গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৭৮-৭৯ চনত গ্ৰামোন্নয়ন বিভাগৰ (তেতিয়া এচ এফ দি এ) জৰিয়তে কৃষকক কিছু 'পাৱাৰ টিলাৰ' দিয়া হৈছিলনে ?

(গ) যদি দাখিল কৰিছিল, তেন্তে এই প্ৰতিবেদন মৰ্ম্মে দোষী বিষয়া ব্যৱসায়ীৰ ওপৰত কিবা ব্যৱস্থা লোৱা হলনে ?

(ঘ) কৃষি উদ্যোগ নিগমৰ এই পাৱাৰ টিলাৰবোৰৰ আসোৱাহ ধৰা পৰাত ভৱিষ্যতে আৰু ক্ৰয় নকৰাৰ সিদ্ধান্ত লোৱাটো সচানে ?

(ঙ) এইটো সঁচানে যে এই পাৱাৰ টিলাৰবোৰ অকৰ্মন্য আৰু মেৰামতিৰ অনুপযোগী ?

(চ) এই সম্পৰ্কত ঋণ লোৱা কৃষকসকলৰ ওপৰত দেৱানী আৰু বাকীজাই গোচৰ ৰুজু কৰাটো সঁচানে ?

(ছ) এনে গোচৰৰ পৰা ঋণ লোৱা কৃষকক ৰক্ষা কৰাৰ কিবা ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীগনেশ কুটুম (গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) কৃষি বিভাগৰ পৰা দিয়া হৈছিল।

(গ) বিভাগীয় ব্যৱস্থা লবলৈ নির্দেশ দিয়া হৈছে।

(ঘ) বর্ত্তমান গ্রামোন্নয়ন বিভাগৰ পাৱাৰ টিলাৰ ক্রয় কৰাৰ কোনো আঁচনি নাই।

(ঙ) প্রাপ্ত তথ্যমতে Spare Parts ৰ অভাৱত কিছুমান পাৱাৰ টিলাৰ অকর্ম্মন্য আৰু মেৰামতিৰ অনুপযোগী হৈ আছে।

(চ) বাকীজাই গোচৰ ৰুজু কৰা বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

(ছ) বেংকৰ লগত আলোচনাক্রমে উপভোক্তা সকলৰ কোনো দোষ নোহোৱাকৈ পৰি থকা পাৱাৰ টিলাৰ সমূহৰ ঋণীসকলৰ বাবে তলৰ প্রস্তাৱ সমূহ ৰখা হৈছে।

১। ৩/৩/৮৭ তাৰিখৰ পিছত বেংকৰ সুদ ৰদ কৰা।

২। ৩/৩/৮৭ তাৰিখলৈ জমা হোৱা সুদৰ কিছু অংশ বেংক আৰু কিছু অংশ চৰকাৰে বহন কৰা।

৩। বেংকৰ দেয় ধন আদায় দিবলৈ ঋনী সকলক বেংকৰ যোগেদি অতিৰিক্ত আঁচনিৰ যোগে পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰা।

শ্রীকামাখ্যা চৰণ চৌধুৰী: মাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্রশ্ন 'খ'টো দিয়া হোৱা নাই। ইয়াত 'গ' প্রশ্নটোৰ উত্তৰত কৈছে যে বিভাগীয় ব্যৱস্থা লবলৈ নির্দেশ দিয়া হৈছে। আমি জানিব পাৰোনে এইটো কি ব্যৱস্থা লোৱা হৈছে। কাৰণ ১৯৭৮ চনৰ পৰাই উত্তৰ দি থকা হৈছে ব্যৱস্থা লোৱা হৰ।

শ্রীগনেশ কুটুম (মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, আচলতে 'খ' প্রশ্নটো ইয়াত নথকাৰ কাৰণে উত্তৰ দিয়া অসুবিধা হৈছে আৰু এইটো নোহোৱাৰ কাৰণে 'গ' প্রশ্নৰ উত্তৰ বুজাটোত অলপ অসুবিধা হৈছে। আমি 'খ' প্রশ্নৰ উত্তৰত কৈছো দোষী বিষয়া আৰু চাপ্লায়াৰৰ ওপৰত বা বিৰুদ্ধে বিহিত ব্যৱস্থা লবৰ বিভাগক নির্দ্দেশ দিয়া হৈছে।

শ্রীকামাখ্যা চৰণ চৌধুৰী: মন্ত্রী মহোদয়ে জনাবনে এই পাৱাৰ টিলাৰ বিলাক কিনাৰ ৭ দিন পাচতেই কিছুমান আসোৱাহ ধৰা পৰিছে। এই সম্পর্কত স্মল ফার্মাৰ ডেভেলপমেণ্ট এজেঞ্চিক নির্দ্দেশ দিয়া হৈছিল। এই সম্পর্কত বিভাগীয় মন্ত্রী মহোদয়ৰ লগত যোগাযোগ কৰি অনুমোদন কৰা হৈছিল আৰু এইটো ৰিলিজ দিয়াৰ কাৰণে কোৱা হৈছিল। কিন্তু যোৱা ১৯৬৮ চনৰ পৰাই এতিয়ালৈকে এইক্ষেত্রত কোনো ব্যৱস্থা নোলোৱাৰ কাৰণে এই যিসকল কৃষকে যিবিলাক মেচিন কিনিছিল তাৰপৰা তেওঁলোকে উপকৃত হোৱাতকৈ তেওঁলোকৰ মাটিবাৰী বিলাক ক্রোক কৰাৰ কাৰণে তেওঁলোকে ভয়াবহ সমস্যাৰ

সম্মুখীন হবলগীয়া হৈছে। গতিকে এই কেচ বিলাক সোনকালে উঠাই লোৱাৰ কাৰনে ব্যৱস্থা লব নেকি ?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : এই সম্পৰ্কত কি ব্যৱস্থা লোৱা হৈছে মই উত্তৰত কৈছোৱেই। আৰু এই সম্পৰ্কত অধিক পৰীক্ষা কৰি চোৱা হব।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : ১৯৭৮ চনৰ পৰা কৰিম বুলি কৈ আজি ১৯৮৮-৮৯ চনলৈকে এতিয়াও কৰিব পৰা নাই। ইয়াৰ কাৰণে এটা নিৰ্দ্দিষ্ট সময় বান্ধি দিবনে ?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মই গোটেই সমস্যাটো ভালদৰে উপলব্ধি কৰিছো যে আমাৰ এই দুখীয়া কৃষকসকলৰ ভয়াবহ কষ্ট হৈছে আৰু সেই কাৰণেই যিমান সোনকালে পৰা যায় এই সম্পৰ্কে ব্যৱস্থা লোৱাৰ কাৰণে চেষ্টা কৰা হব।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : ১৯৭৮ চনৰ পৰাই কৰিম কৰিম বুলি আজি ১৯৮৯ চন পালেহি। এতিয়াও সেই কামটো কৰিব পৰা নাই। ফলত এই গৰীব দুখীয়া খেতিয়ক সকলৰ মাটিবাৰী সমস্ত নীলামত যোৱাৰ কাৰণে তেওঁলোকৰ অতিশয় দুখকষ্ট হৈছে। এইক্ষেত্ৰত কেৱল লিখা লিখিয়েই চলি আছে কিন্তু ৰাইজৰ বিলাই বিপত্তি দূৰ কৰিব পৰা নাই। সেয়েহে এই সম্পৰ্কত এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত এই কাম বিলাক সম্পন্ন কৰিব লাগে।

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো অতি পূৰণি এটা কেচ। তথাপিতো সোনকালে সম্পন্ন কৰিবলৈ ব্যৱস্থা লোৱা হব।

বিষয় : বিজনী বিধান সভা সমষ্টিৰ স্বাস্থ্য কেন্দ্ৰ।

শ্ৰীগণেশ বড়োৱে সুধিছে :

★ ১২৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কোকৰাঝাৰ জিলাৰ বিজনী বিধান সভা সমষ্টিৰ অন্তৰ্গত (১) মাক্ৰা পাটকিগুৰি (২) ফাগুনাগাও (৩) চামুগাওঁৰ স্বাস্থ্য কেন্দ্ৰ কেইটা আজিলৈকে কিয় নিৰ্ম্মাণ কৰা নহল ?

(খ) ৰাজহুৱা স্বাৰ্থৰ খাতিৰত এই কেইটা স্বাস্থ্য কেন্দ্ৰ অতি সোনকালে নিৰ্ম্মাণ কৰা হব নে ?

শ্ৰীচামছিং হান্সে (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) কোকৰাঝাৰ জিলাৰ মাক্ৰা পাটকিগুৰিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে প্ৰশাসনীয় অনুমোদন দিয়া হৈছে আৰু গড়কাপ্তানী বিভাগে অনতিপলমে

কাম আৰম্ভ কৰিব। ফাগুনাগাওঁত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে প্ৰাক্কলন প্ৰস্তুত হৈ আছে। চামুগাওঁৰ কাৰণে কোনো প্ৰস্তাৱ নাই। চামুগুড়িৰ কাৰণে প্ৰাক্কলন বিচৰা হৈছে।

(খ) পুঁজিৰ সাপেক্ষে ব্যৱস্থা লোৱা হব।

শ্ৰীগণেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰ জিলাৰ উক্ত অঞ্চল কেইটাৰ বাবে আমি ৪ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে আবেদন কৰিছিলো। কিন্তু চৰকাৰে বৰ্ত্তমান এখন স্বাস্থ্য কেন্দ্ৰৰ বাবেহে অনুমোদন জনাইছে। মন্ত্ৰী মহোদয়ে প্ৰশ্নটোৰ উত্তৰত যি খিনি কথা কৈছে তাত মই সন্তুষ্ট হব পৰা নাই। চামুগাও আৰু ফাগুনা গাওঁত অতি সোনকালে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰাৰ কাৰণে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কোকৰাঝাৰ জিলাৰ বিজনী বিধান সভা সমষ্টিৰ অন্তৰ্গত মাক্ৰা পাটকিগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্ম্মাণৰ বাবে অসম চৰকাৰৰ ২৩.১০।৮৭ তাৰিখৰ এইচ, এস, এ, ৯২০/৮৭/১১০ নং চিঠি যোগে ৯,৬৮,৬০০ টকাৰ প্ৰশাসনীয় অনুমোদন জনোৱা হয়। এই স্বাস্থ্য কেন্দ্ৰৰ কাম সোনকালে আৰম্ভ কৰা হব বুলি গড়কাপ্তানি বিভাগে জনাইছে। ফাগুনা গাওঁ স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে প্ৰাক্কলন মুখ্য অভিজন্তা গড়কাপ্তানি বিভাগে পোৱা বুলি জনাইছে আৰু অতি সোনকালে চৰকাৰৰ অনুমোদনৰ বাবে পঠিওৱাৰ ব্যৱস্থা কৰি আছে।

চামুগাওঁ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ প্ৰতিস্থাৰ কোনো প্ৰস্তাৱ বৰ্ত্তমানলৈ নাই। চামুগুৰিত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে প্ৰাক্কলন বিচৰা হৈছে।

ৰাজহুৱা স্বাৰ্থৰ খাতিৰত উক্ত ঠাই দুখনত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্ম্মাণৰ কাম পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

শ্ৰীভবেন নাৰ্জি : অধ্যক্ষ মহোদয়, সদনত মন্ত্ৰী মহোদয়ে যি ধৰণে প্ৰশ্নৰ উত্তৰ দিছে তাৰ পৰিপ্ৰেক্ষিতত মই এটা কথা কবলৈ বিচাৰিছো। কথাটো হল—এদিন এজন মাছ মৰীয়াই বৰ সুন্দৰ মাছ এটা পায় ভাবিলে যে সেইটো ৰজাক বেচিব পাৰিলে বহুত টকা পাব আৰু সেই মতে ৰজাৰ ওচৰলৈ মাছটো লৈ গল। ৰজাই সুধিলে যে মাছটো মতা নে মাইকী ? যদি মতা হয় তেনেহলে তাৰ লগৰ মাইকী জনীক লৈ আনা আৰু যদি মাইকী তেনেহলে তাৰ লগৰ মতাটোক লৈ আনা। প্ৰকৃততে ৰজাৰ মাছটো কিনাৰ মতলব নাই। তেতিয়া

বুধিয়ক মাছ মৰীয়াই কলে যে মাছটো নপুংসক। .... .... সদনত (হাহি)........। মাছ মৰীয়াৰ ক্ষেত্ৰত ৰজাই যিটো কৰিছিল ঠিক সেইদৰেই মন্ত্ৰী মহোদয়েও প্ৰশ্নৰ উত্তৰত সঠিক উত্তৰৰ পৰা এৰাই গৈছে।

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (বাণিজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেইটো এই প্ৰশ্নৰ লগত খাপ খোৱা ধৰণৰ নহয়। এই ক্ষেত্ৰত পুজি সাপেক্ষেহে ব্যৱস্থা কৰা হব।

বিষয় : অসম চিকিৎসা মহাবিদ্যালয়ৰ অতিথিশালা।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

★ ১২৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চিকিৎসা মহাবিদ্যালয়ৰ অতিথিশালাটো কোনে পৰিচালনা কৰে আৰু ইয়াত থকাৰ বাবে কিবা বিধি ব্যৱস্থা আছে নেকি?

(খ) উক্ত অতিথিশালাত যোৱা চাৰি বছৰে কোন কোন ব্যক্তি আছিল জনাবনে? (নাম সহ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) ইয়াৰ বাবদ কোনে কিমান টকা দিছিল জনাবনে?

(নাম আৰু ধনৰ পৰিমান দিব)।

শ্ৰীচামছিং হান্সে (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষই অতিথিশালাটো পৰিচালনা কৰে আৰু ইয়াত থকাৰ বাবে বিধি ব্যৱস্থা আছে।

(বিধি ব্যৱস্থাৰ নকল এটা সদনৰ মেজত দাখিল কৰা হল)

(See the copy at Annexure I)

(খ+গ) যোৱা চাৰি বছৰত অতিথিশালাখনত থকা ব্যক্তি সকলৰ আৰু তেওঁলোকৰ পৰা সংগ্ৰহ কৰা ধনৰ পৰিমাণৰ তালিকা এখন সদনৰ মেজত দাখিল কৰা হ'ল।

(See the list at Annexure II)

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে যে তাত যোৱা বছৰ এজন এচিষ্টেণ্ট প্ৰফেচাৰে অৱসৰ গ্ৰহন কৰিছে। সেই মানুহ জন কোন জনাব নে?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (বাণিজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসম চিকিৎসা মহাবিদ্যালয়ৰ উপ-অধীক্ষকদ্বয় ডা: এ, চি, বৰকটকী আৰু ডা: জি, চি, কাকতি অতিথিশালাত থাকিবলৈ দিয়া হৈছিল। তেওঁলোকে চৰকাৰী নিয়মানুসৰি ভাড়া দি আছিল, যিহেতুকে উক্ত উপ-অধীক্ষক দুজনৰ সেৱা হাস্পাতাল দুখন

সুচাৰুৰূপে চলোৱাৰ বাবে অপৰিহাৰ্য্য আছিল। তেওঁলোকক আন ঠাইত থকাৰ বাবে অধীক্ষকে বাইজৰ সেৱাৰ খাতিৰত তেওঁলোকক ভাড়া দিয়াৰ পৰা ৰেহাই দিছিল।

ডাঃ গুৰু প্ৰসাদ শৰ্ম্মা ও, শল্য চিকিৎসাৰ অধ্যাপক জনকো ১।৮।৮৭ তাৰিখৰ পৰা উক্ত অতিথিশালাত থাকিবলৈ দিয়া হৈছিল। কিন্তু তেওঁক বাৰম্বাৰ লিখিত ভাবে অনুৰোধ কৰা স্বত্বেও অতিথিশালাত থকাৰ বাবদ ভাড়া দিয়া নাই। ভাড়াখিনি দিয়াৰ বাবে তেওঁক পুনৰাই সোঁৱৰাই দিয়া হৈছে।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, এই ভাড়াখিনি কেতিয়া আৰু কি ব্যৱস্থাৰে আদায় কৰা হব মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী ( ৰাজ্যিক মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, তেখেতক ভাড়া খিনি আদায় দিয়াৰ কাৰণে সকিয়াই দিয়া হৈছে যাতে অতি সোনকালে ভাড়াখিনি তেখেতে আদায় দিয়ে।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, তেখেতক এই ক্ষেত্ৰত সকিয়াই দিয়াই যথেষ্ট নহয়। এই ভাড়াখিনি আদায় কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হব?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত চৰকাৰী বিধি মতে ব্যৱস্থা লোৱা হব।

**Re : Desolution of Kokrajhar Mahkuma Parishad.**

Shri Amrit Lal Basumatary asked :

★ 130. Will the Minister Panchayat be pleased to State :

(a) Whether Mahkuma Parishad in Kokrajhar has been desoloved ?

(b) If so, what are the reasons ?

(c) Whether Election to Mahkum Parishad will be held?

(d) If not, the reason there of ?

Shri Ganesh Kutum ( Minister, Panchayat and Rural Development ) replied :

(a) Yes,

(b) In public interest.

(c) Government have not yet finally decided about the date for holding of Panchayat Elections.

(d) Election can be held after preparations of the Voters list as per Representation of the Peoples Act, 1951.

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, 'd' প্ৰশ্নৰ উত্তৰটো ভালকৈ বুজিব পৰা নহল। ইলেকশ্বন হব নে নাই আৰু কি কাৰণত হোৱা নাই এইটো জনাব নে ?

Sri Ganesh Kutum (Minister): In reply to (d), I have said election can be held after preparation of the Voters Lists as per Representation of the Peoples' Act, 1951.

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, ভোটাৰ লিষ্ট এতিয়াও নাই নেকি ? ১৯৮৫ চনতে আমি বিধায়ক হৈ আহিছো। সেইটো ভোটাৰ লিষ্ট নাছিল নেকি ?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে জানে যে ভোটাৰ তালিকা সংশোধন নোহোৱালৈকে নিৰ্ব্বাচন পাতিব পৰা নহব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ : মাননীয় অধ্যক্ষ মহোদয়, মোৰ মতে এইটো উত্তৰ দিয়াই ভাল হব যে আমি চৰকাৰ থকা কালত ইলেকশ্বন নাপাতোৱেই।

Sri Abdul Muhib Mazumdar : Sir, I have a supplementary question to put: Hon'ble Minister has stated that the Panchayat elections cannot be held until voters' lists are rectified or updated. Why ? Is there any provision in the law to the effect that Panchayat elections canot be held unless the voter's lists are updated. I want to know about the provision from the Hon'ble Minister.

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমাৰ অসম পঞ্চায়তী ৰাজ এক্ট ১৯৭২ ত যি নিয়ম আছে সেই মতে আমি দেখিছো যে পিপুলচ এক্ট এই আইনখনৰ আধাৰত বাবে প্ৰস্তুত কৰি আৰু ভোটাৰ তালিকা খন সংশোধিত নোহোৱা পৰ্য্যন্ত পঞ্চায়ত নিৰ্ব্বাচন হব নোৱাৰে।

শ্ৰীআব্দুল মুহিব মজুমদাৰ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভোটাৰ লিষ্ট যদি নাই তেনেকুৱা কনষ্টিটিউচন আছিল নেকি ?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, নিৰ্ব্বাচন বিভাগে ভোটাৰ তালিকা প্ৰস্তুত কৰিব লাগে।

Shri A.F.G. Osmani : Hon'ble Mr. Speaker, Sir I fully agree with the observations made by the Hon'ble Member Shri S. C. Sinha that there may not be any election of the Local-self-Government bodies Sir, it has become invitable fact these things will continue to run on ad-hoc-basis. As the present practice shows, the selection of the people in such Ad-hoc bodies is not made with proper verification of records of Criminal Investigation Department and Special Branches and as a result I have found that in my own areas many suspected criminals are selected. Therefore, Sir, my suggestion is that prior to the selection of people for such Ad-hoc-bodies, proper verification of Criminal-Investigation Department and Special Branches be made for their antecedents. Their names should be cleared from the Criminal Investigation Departments or Special Branches before selection is made for such Ad-hoc basis. This is my suggestion.

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ভোটাৰ তালিকাৰ সংশোধন চলি আছে। গতিকে ভোটাৰ তালিকা কৰা হ'ব।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো পঞ্চায়ত ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ দায়িত্ব কাৰ ? যদি অসম চৰকাৰৰ তেনেহলে অসম চৰকাৰে কিয় ভোটাৰ তালিকা তৈয়াৰ কৰা নাই ?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱে যে ভোটাৰ তালিকাৰ সংশোধনৰ কাম চলি আছে।

(সদনত হুলস্থুল হয়)

শ্ৰীহেমেন দাস : পঞ্চায়ত ভোটাৰ তালিকা তৈয়াৰ কৰিব লাগিব।

(হুলস্থুল)

ডাঃ অৰ্দ্ধেন্দু দে: এইটোৰ লগত ডেম'ক্ৰেচী ইনভোলভ্ হৈ আছে।
(বিৰাট গন্দগোল, মন্ত্ৰীৰ উত্তৰ নাই)

**Re : Salaries of Panchayat Staff of Mohkuma Parishad:**

Shri Digendra Purkayastha asked :

★ 131. Will the Minister, Panchayat & R.D. be pleased to State :

(a) Whether it is a fact that the Panchayat Staff under different Mohkuma Parishad in the State of Assam are not getting their salaries since last few months ?

(b) If so, whether Government will take immediate step for early payment of their salaries ?

Shri Ganesh Kutum (Minister, Panchayat and Rural Development) replied :

(a) It is a fact that non-Government Panchayat emplo-yees are not receiving their salaries regularly.

(b) As per provision of Assam Panchayat Raj Act, 1972, the salaries of Panchayat employees are to be paid by Panchayat Raj Bodies themselves from their own resources. However Government extends Share of Land and Revenue and Local Rates. Besides additional financial assistance as Grant-in- aid in the form of (1) Invigoration of Panchayat In-stitution and 2 Equalisation Fund are also extended.

Shri Abdul Rob Laskar : Sir since when the Panchayat employees are not getting their salaries ?

শ্ৰীগনেশ কুটুম মন্ত্ৰী: মাননীয় অধ্যক্ষ মহোদয়, এইটো আচলতে অলপ দেৰি কৰিছে।

Shri Ramendra De : Sir, whether the Mohkuma Parishad are getting their matching grants from the state Government regularly ?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত কৰ্মচাৰী সকলে তেওঁলোকৰ নিজৰ কৰ্ম্মচাৰী আয়ৰ পথেৰে ফাণ্ডত জমা কৰা হয় আৰু মহকুমা পৰিষদৰ জৰিয়তে দৰমহা দিয়া হয়। তেওঁলোকে তাৰ পৰা দৰমহা নোপোৱাকৈ আছে, চৰকাৰৰ পৰা নহয়

বিষয়: নাহৰনি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

শ্ৰীকুমুদ্বৰ টাইৰাই (গগৈ)য়ে সুধিছে:

★ ১৩২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) নাহৰনি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৩০ খন বিছনাযুক্ত চিকিৎসালয়ত বৰ্ত্তমানে কেইজন ডাক্তৰ আছে?

(খ) উক্ত চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত ডাক্তৰজন (Doctor Incharge) বৰ্ত্তমান টিৰাপ গেটৰ চৰকাৰী চিকিৎসালয়ত কাম কৰি থকাটো সচানে?

(গ) এই চিকিৎসালয়ৰ বাবে চৰকাৰে Ambulance কেতিয়া অনুমোদন জনাইছিল আৰু কেতিয়া চিকিৎসালয়ত যোগান ধৰিছিল?

(ঘ) বৰ্ত্তমান উক্ত চিকিৎসালয়ত পানী যোগান ব্যৱস্থা আছেনে?

(ঙ) যোৱা ১৯৮৫ চনতেই পানী যোগানৰ বাবে ব্যৱহাৰ কৰা Motor টো (ইঞ্জিন) চুৰি হোৱা কথাটো চৰকাৰে জানেনে?

শ্ৰীচামছিং হান্সে (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) ২ (দুজন) ডাক্তৰ আছে।

(খ) বৰ্ত্তমান টিৰাপ গেটৰ চৰকাৰী চিকিৎসালয়ত কাম কৰি থকা নাই। মাত্ৰ এমাহৰ বাবে এজনক টিৰাপ গেটলৈ পঠোৱা হৈছিল, যদিও এতিয়া নাহৰনীতে কাম কৰি আছে।

(গ) ১৯৮৪ চনত Ambulanceৰ অনুমোদন জনাইছিল। বৰ্ত্তমানলৈকে চিকিৎসালয়ত যোগান ধৰা হোৱা নাই।

(ঘ) নাই।

(ঙ) হয়।

শ্ৰীকুমুদ্বৰ টাইৰাই গগৈ: মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰশ্ন কেইটাৰ উত্তৰ বুজি নাপালো বুলিয়ে কব লাগিব। এতিয়া (ক) প্ৰশ্নৰ সন্দৰ্ভত সুধিব খুজিছো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ যোগ ৩০ খন বিছনাযুক্ত চিকিৎসালয়ত চৰকাৰী

নৰ্মমতে কিমান ডাক্তৰ থাকিব লাগে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক মন্ত্ৰী) : ৩০ খন বিছনাযুক্ত চিকিৎসালয়ত ৬ জন ডাক্তৰ থাকিব লাগে। বৰ্ত্তমান দুজন ডাক্তৰে তাত কাম কৰি আছে বাকী ৪ জন ডাক্তৰ নিয়োগ কৰা হৈছে কিন্তু যোগদান কৰা নাই।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : এইখন ডিব্ৰুগড় জিলাৰ ভিতৰতে পুৰণা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ লগতে এইখন ৩০ খন বিছনাযুক্ত চিকিৎসালয় হৈছে কিন্তু ২ জন ডাক্তৰেহে কাম কৰি আছে, বাকী কেইজন কিমান দিনৰ পৰা নাই বা ক'ত আছে ?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক মন্ত্ৰী) : ডাক্তৰ চৰ্ট হোৱা কাৰণে তাত ডাক্তৰ দিব পৰা হোৱা নাছিল, এতিয়া নতুন ডাক্তৰ দিয়া হৈছে।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : ১৯৮৫ চনতে তাৰ মটৰটো চুৰি হৈছে, আজিলৈ তাত নতুন মটৰৰ ব্যৱস্থা কৰা নাই। তাত কেনেকৈ পানী যোগান ব্যৱস্থা চলি আছে। মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক মন্ত্ৰী) : ১৯৮৫ চনতে মটৰটো চুৰি হোৱা কথাটো সঁচা কিন্তু তাত টিউবেল আদিৰ দ্বাৰা পানী যোগানৰ ব্যৱস্থা চলাই থকা হৈছে। চুৰি হোৱা মটৰটো উদ্ধাৰৰ কাৰণে পুলিচে ব্যৱস্থা লৈ আছে।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : মোৰ প্ৰশ্নটো হৈছে মটৰটো যে নাই এতিয়া পানী যোগানৰ কাম কেনেকৈ চলি আছে ?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক মন্ত্ৰী) : বৰ্ত্তমান টিউবেলৰ দ্বাৰা পানী-যোগান ব্যৱস্থা চলাই থকা হৈছে। মটৰটো দিওঁতে সময় লাগিব।

শ্ৰীনগেন শৰ্ম্মা : মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ৩০ খন বিছনাযুক্ত চিকিৎসালয় আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ একেলগে থাকে নেকি ?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক মন্ত্ৰী) : এইখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এতিয়া আপগ্ৰেদ কৰা হৈছে।

**বিষয় : জামবাৰী প্ৰাথমিক চিকিৎসালয়।**

★ ১৩৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ছয়গাওঁ সমষ্টিৰ অন্তৰ্গত জামবাৰী প্ৰাথমিক চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কেতিয়া হৈছিল ?

(খ) চিকিৎসালয়খন কেতিয়া সম্পূৰ্ণ কৰাৰ কথা আছিল আৰু বৰ্ত্তমান কিমান কাম সম্পূৰ্ণ হৈছে ?

শ্ৰীচাঁমছিং হান্সে (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ২৮-৪-৮৭ ইং তাৰিখত।

(খ) ঠিকাদাৰক কামৰ আবণ্টন ১৯৮৮ চনৰ চেপ্টেম্বৰ মাহত দিয়া হৈছিল। কিন্তু কাম আৰম্ভ কৰিব পৰা হোৱা নাই।

ডাঃ কমলা কলিতাঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ১৯৮৮ চনতে ঠিকাদাৰক কাম দিয়া হ'ল, কাম আৰম্ভ হোৱা নাই। সুন্দৰ উত্তৰ বিভাগৰ তৰফৰ পৰা বনাই দিয়া হৈছে। কিয় আৰম্ভ হোৱা নাই তাৰ ব্যাখ্যা নাই, কিয় আৰম্ভ হোৱা নাই মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, জামবাৰী প্ৰাথমিক চিকিৎসালয়ৰ প্ৰশাসনীয় অনুমোদন চৰকাৰৰ এইচ এল এ ৩৫৭/৮৭/এ তাৰিখ ৩০/৩/৮৭ অনুযায়ী মুঠ ৯,৭৪,০০০ টকাৰ অনুমোদন দিয়া হৈছিল। মুখ্য অভিযন্তাই গড়কাপ্তানি বিভাগ অসমে জনোৱামতে কামৰ নিবিদা গ্ৰহণ কৰা হৈছিল ৭/৪/৮৮ তাৰিখে প্ৰাথমিক চিকিৎসালয়ৰ মূল গৃহৰ কাম ঠিকাদাৰ শ্ৰী দিলীপ কুমাৰ মহাজনক কৰিবৰ বাবে ৩০/৯/৮৮ তাৰিখে আদেশ দিয়া হৈছিল। কিন্তু পুঁজিৰ অভাৱত কামটো আৰম্ভ কৰিব পৰা নাই। অহা বিত্তীয় বছৰত পুঁজি সাপেক্ষে কামটো আৰম্ভ কৰিব পৰা হব পাৰে।

ডাঃ কমলা কলিতাঃ অধ্যক্ষ মহোদয়, কথাটো কমপ্লিকেচিহে হ'ল। ১৯৮৭ চনৰ বাজেট অধিবেশনৰ আগতে এই চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰা হৈছিল, ১৯৮৮ চনৰ বাজেট অধিবেশনত এটি প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে এমাহৰ ভিতৰত কাম আৰম্ভ কৰা হব। ১৯৮৯ চনৰ বাজেট অধিবেশনত এতিয়া বুজিলো যে চিকিৎসালয়খন হব নে নহয় তাৰে ঠিক নাই। অৰ্থাৎ ভুল তথ্য পৰিবেশন কৰি সদনক বিপথে চালিত কৰিছে। মই স্পষ্টকৈ জানিব বিচাৰিছো কাম কেতিয়া আৰম্ভ হব কোন তাৰিখৰ পৰা?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (ৰাজ্যিক মন্ত্ৰী): ১৯৮৭ চনত আধাৰশিলা স্থাপন হোৱাটো সঁচা ১৯৮৮ চনত কাম আৰম্ভ কৰিবলৈ লোৱা হৈছে। টকা আহিলেই কাম আৰম্ভ কৰা হব।

ডাঃ কমলা কলিতাঃ ১৯৮৭ চনত এই চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰা হৈছিল ১৯৮৮ চনত যেতিয়া এই বিষয়ে বিধান সভাত প্ৰশ্ন তোলা হৈছিল তেতিয়া মন্ত্ৰীয়ে কৈছিল যে এমাহৰ ভিতৰত কাম আৰম্ভ হব অৰ্থাৎ তেতিয়া টকাৰ অভাৱৰ কথা কোৱা নাছিল মাত্ৰ এপ্ৰোচ ৰোড এটাৰ কাৰণেহে কাম কৰিব পৰা নাই বুলি কৈছিল। তথাপি ৰাস্তাৰ কাম শেষ হোৱাৰ পাছত এমাহৰ ভিতৰতে কাম আৰম্ভ হব বুলি কমিট কৰিছিল। মোৰ বোধেৰে

গোটেই বিষয়টো এতিয়া সদনত মিচ লিদ কৰিব বিচাৰিছে। এতিয়া আকৌ টকাৰ নাটনিৰ কথা কৈছে। তেতিয়াহলে টকাতো ক'ত নিয়া হ'ল ? ইয়াৰ দ্বাৰা সদনক মিচ লিদ কৰা হোৱা নাই নে ?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী (বাজ্যিক মন্ত্ৰী) : আচলতে টকাৰ অভাৱত কাম আৰম্ভ কৰিব পৰা নাই। বাজেট পাছ হোৱাৰ পাছতে সেই টকাৰে কাম আৰম্ভ কৰিব পৰা হব।

**Re: Undisbursed fund of N.R.E.P. and R. L. E.G.P. schemes.**

Shri Santi Ranjan Dasgupta asked :

★ 134. Will the Minister, Rural Development be pleased to state :

(a) The amount sanctioned for N.R.E.P. and R.L.E.G.P. schemes Blockwise lying with the D.R.D.A. undisbursed ?

(The districtwise amount may kindly be furnised)

(b) Whether the amount earmarked for Rural Development will be used for development purpose or each D.R.D.A. will be allowed to earn Bank interest over the money by keeping the same with the Banks not disbursing the money for utilisation by the Blocks for Rural Developments ?

(c) Will Government issue a Guideline on this important matter ?

Shri Ganesh Kutum (Minister, Rural Development) replied :

(a) The following amounts are yet to be relesed by D.R.D.A. to Blocks under N.R.E.P. & R.L.E.G.P.

| D.R.D.A. | N.R.E.P. (Undisbursed) (Rs. in lakh) | R.L.E.G.P. (Undisbursed) (Rs. in lakh) |
|---|---|---|
| 1. Barpeta | 20.31 | 1.26 |
| 2. Lakhimpur | Nil | Nil |

| | | | |
|---|---|---|---|
| 3. | Kokrajhar | 61.12 | 23.65 |
| 4. | Karimganj | 4.65 | 3.14 |
| 5. | Dhubri | Nil | Nil |
| 6. | N. C. Hills | 17.83 | 12.32 |
| 7. | Goalpara | 19.90 | 5.80 |
| 8. | Nagaon | 46.56 | 14.15 |
| 9. | Jorhat | 47.37 | 56.59 |
| 10. | Darrang | 14.57 | Nil |
| 11. | Sibsagar | 10.16 | 6.76 |
| 12. | K. Anglong | 20.00 | Nil |
| 13. | Dibrugarh | 67.67 | 11.04 |
| 14. | Kamrup | 91.28 | 66.58 |
| 15. | Nalbari | 54.81 | 22.05 |
| 16. | Sonitpur | 12.65 | 1.86 |
| 17. | Cachar | 54.28 | 37.17 |

(b) All funds earmarked for Rural Development works are being utilised and all undisbursed fund will be utilised for development purpose only. It is not the policy of the Government to keep the money in Banks for earning interest only. The D.R.D.As and the Blocks are allowed to keep the money in the S. B. Accounts of the Banks as per Government of India's guideline. The D.R.D.As are bound to release fund to the Block Agencies for execution of Rural Development Programmes; depending on progress and submission of utilisation repent appropriately.

(c) Details guidelines are already there in this regard.

**Undisposed Starred Questions**

(Starred question nos. 135, 136, 137, 138, 139 & 140 were not called for want of time. However written replies deemed to have been laid on the Table as follows :

বিষয়ঃ খানাপাৰা কেন্দ্ৰীয় দুগ্ধ উন্নয়ন পাম।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে:

★ ১৩৫। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কেন্দ্ৰীয় খানাপাৰা দুগ্ধ উন্নয়ন পামখন কোন চনৰ পৰা কাৰ্য্যকৰী হৈছে আৰু বৰ্ত্তমানলৈকে চৰকাৰে এই পামৰ বাবে কিমান লাখ টকা খৰচ কৰিছে ?

(খ) এই দুগ্ধ উন্নয়ন পামে প্ৰতি লিটাৰ গাখীৰ উৎপাদন কৰোতে কিমান টকা খৰচ কৰে আৰু বিক্ৰী কৰোতে কিমান টকাত কৰে ?

(গ) এই দুগ্ধ উন্নয়ন পামৰ বাবে কিমানজন বিষয়া আৰু কৰ্ম্মচাৰী আছে ?

শ্ৰীদিলীপ শইকীয়া সোনোৱাল (পশুপালন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) খানাপাৰাত কোনো কেন্দ্ৰীয় দুগ্ধ পাম নাই কিন্তু দুগ্ধ উন্নয়ন বিভাগত নগৰ গাখীৰ যোগান আঁচনিত এখন কেন্দ্ৰীয় দুগ্ধশালা আছে। যোৱা চাৰি/ পাঁচ বছৰৰ খৰছ ও গাখীৰ সংগ্ৰহ আৰু বিতৰণ এনেধৰণৰ :-

পঞ্চ পৰিকল্পনা

১৯৮৪-৮৫ — ১৬,০৭,১২৪.০০

১৯৮৫-৮৬ — ১৮,৯৫,২১২.০০

১৯৮৬-৮৭ — ১৮,৪৮,৪২৫.০০

১৯৮৭-৮৮ — ২৭,৯১,৪৮৫.০০

সাধাৰণ পৰিকল্পনা

১৯৮৪-৮৫ — ২৮,৩৪,৮৬৩.০০

১৯৮৫-৮৬ — ৩৪,৩৫,৬৮৯.০০

১৯৮৬-৮৭ — ৪৫,৩৩,৭৫৭.০০

১৯৮৭-৮৮ — ৩৭,০২,৪৮৫.০০

(খ) প্ৰতিলিটাৰ গাখীৰ কিনোতে যাবতীয় খৰছলৈ ৪.৯৫ টকা খৰচ হয় আৰু বিক্ৰী দাম ৫.২০ টকা হয়।

(গ) মুঠ কৰ্মচাৰীৰ সংখ্যা এনেধৰণৰ—

১) কাৰিকৰী শিক্ষাপ্ৰাপ্ত কৰ্ম্মচাৰী — ৮ জন

২) অহৰ্তা সম্পন্ন কৰ্মচাৰী — ১৮ জন

৩) অহৰ্তা বিহীন কৰ্মচাৰী — ২৪ জন

মুঠ— ৫০ জন

বিষয় : মৰিয়নিত ৩০ খন বিছনাযুক্ত হস্পিতাল।

শ্ৰীনৰেণ তাঁতীয়ে সুধিছে :

★ ১৩৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিয়নিত ৩০ খন বিছনাযুক্ত হস্পিতাল এখনৰ কাম আৰম্ভ হৈছে নে ?

(খ) যদি হৈছে, এতিয়া কি পৰ্য্যায়ত আছে ?

(গ) এই হস্পিতালখনৰ কাৰণে চৰকাৰে কিমান টকা আৱণ্টন কৰিছে ?

(ঘ) আৰু এতিয়ালৈকে কিমান টকা দিয়া হল ?

শ্ৰীচামছিং হান্সে ( স্বাস্থ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হস্পিতাল গৃহৰ কাম প্ৰায় ৪০ শতাংশ হৈছে। বেলেগ গৃহৰ কাম আৰম্ভ হোৱা নাই।

(গ) ২৯,৯৬,৭০০·০০ টকাৰ প্ৰশাসনীয় অনুমোদন দিয়া হৈছে।

(ঘ) পুঁজিৰ অভাৱত এই বছৰত আৰু কোনো টকা আৱণ্টন দিব পৰা হোৱা নাই।

**Re : Election of Gaon Panchayat.**

Shri Shio Shambhu Ojha asked :

★ 137. Will the Minister, Panchayat be pleased to state :

(a) Whether Government has taken any step for holding of Elections to the Gaon Panchayats in Assam ?

(b) If so when the Elections can be expected ?

Shri Ganesh Kutum (Minister, Panchayat and Rural Development) replied :

(a) & (b) The Panchayat Election can be held after preparation of the voter list as per Representations of the people Act, 1951 and delimitation of the Panchayats. Government have not yet finally decided about the date of holding of the Elections to the Panchayats.

বিষয়ঃ ধেমেচী পশু চিকিৎসা কেন্দ্ৰৰ গৃহ নিৰ্ম্মাণ।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

★ ১৩৮। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ মৰান সমষ্টিৰ অন্তৰ্গত ধেমেচী পশু চিকিৎসা কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ কাম কোন চনত আৰম্ভ কৰিছিল?

(খ) উক্ত চিকিৎসা কেন্দ্ৰৰ বাবে কিমান টকা মঞ্জুৰী দিয়া হৈছিল?

(গ) উক্ত মঞ্জুৰীৰ দ্বাৰা কেইটা কোৱাৰ্টাৰ বনাবলৈ লোৱা হৈছিল?

(ঘ) গৃহ নিৰ্মানৰ বাবে কোন ঠিকাদাৰক দায়িত্ব দিয়া হৈছিল আৰু তেওঁৰ ঠিকনা জনাবনে?

(ঙ) গৃহ নিৰ্মাণৰ কাম সম্পুৰ্ণ হ'লনে?

(চ) যদি হোৱা নাই, কিয় হোৱা নাই?

(ছ) বৰ্ত্তমান উক্ত চিকিৎসা কেন্দ্ৰৰ গৃহ নিৰ্মাণ সম্পুৰ্ণ কৰাৰ বাবে বিভাগীয় কৰ্ত্তৃপক্ষই কি ব্যৱস্থা লৈছে?

শ্ৰীদিলীপ শইকীয়া সোনোৱাল (পশু পালন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ধেমেচী পশুচিকিৎসালয়ৰ কাম ১৯৭৯-৮০ চনত আৰম্ভ কৰা হৈছিল।

(খ) উক্ত চিকিৎসালয়ৰ বাবে ৮০,২০০·০০ টকা মঞ্জুৰী দিয়া হৈছিল।

(গ) দুটা কোৱাৰ্টাৰ বনাবলৈ দিয়া হৈছিল।

(ঘ) যোৰহাট নিবাসী শ্ৰীৰাজেন্দ্ৰ প্ৰসাদ বৰা নামৰ ঠিকাদাৰক দিয়া হৈছিল।

(ঙ) হোৱা নাই।

(চ) কাম আৰম্ভ কৰি প্ৰায় আধাকাম হোৱাৰ অৱস্থাতে বানপানীত আলি-পদূলীৰ ক্ষতি হোৱাৰ কাৰণে নিৰ্ম্মাণৰ কাম ঠিকাদাৰে স্থগিত ৰাখে আৰু ইতিমধ্যে নিৰ্ম্মাণৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাৰ কাৰণে ঠিকাদাৰে কাম সম্পূৰ্ণ কৰিব নোৱাৰে বুলি জনায়।

(ছ) বৰ্ত্তমান প্ৰচলিত গড়কাপ্তানী বিভাগৰ মূল্যসূচীৰ আধাৰত আধৰুৱা কামৰ বাবে কৰা প্ৰাক্কলন অনুসৰি ধন পোৱা হৈছে আৰু অহা এপ্ৰিল মাহৰ ভিতৰতে কাম সম্পুৰ্ণ হোৱাৰ আশা কৰা হৈছে।

বিষয় : এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পি আঁচনিৰ স্কুল ঘৰৰ কাম।

শ্ৰীমকবুল হুচেইনে সুধিছে :

★ ১৩৯। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) স্বজন গ্ৰাম্য উন্নয়ন খণ্ড কাৰ্য্যালয়ৰ অন্তৰ্গত NREP আৰু RLEGP আঁচনিৰ মঞ্জুৰীকৃত যোৱা বছৰ স্কুল ঘৰৰ কাম সমূহ এই বছৰতো আৰম্ভ নকৰাৰ কাৰণ কি জনাবনে?

শ্ৰীগনেশ কুটুম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) স্বজন-গ্ৰাম্য উন্নয়ন খণ্ডৰ কাৰ্য্যালয়ত ১৯৮৭-৮৮ বছৰটোত দুজন কনিষ্ঠ অভিযন্তাৰ ভিতৰত এজনো নথকাৰ কাৰণে এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পি আঁচনিৰ অন্তৰ্গত মঞ্জুৰীকৃত স্কুল ঘৰ সমূহৰ কাম হাতত লোৱাত পলম হৈছে। অলপতে এজন কনিষ্ঠ অভিযন্তাই কামত যোগদান কৰিছে আৰু ইতিমধ্যে মুঠ ছয়খন স্কুলৰ ভিতৰত ৫ খনৰ কাম আৰম্ভ কৰা হৈছে। বাকীখন স্কুলৰ কাম সোনকালে আৰম্ভ কৰা হ'ব।

বিষয়ঃ খণ্ড উন্নয়ন বিষয়াৰ সংখ্যা আৰু পদোন্নতিৰ নীতি।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

★ ১৭০। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ কিমানটা খণ্ড উন্নয়ন কাৰ্য্যালয়ত খণ্ড উন্নয়ন বিষয়া নাই?

(খ) যি সকল খণ্ড উন্নয়ন বিষয়াক খণ্ড উন্নয়ণ কাৰ্য্যালয় সমূহত চৰকাৰে ৩/এফ নীতি অনুসৰি নিযুক্তি দিছিল উক্ত বিষয়াসকলৰ চাকৰি বিলাক বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

(গ) খণ্ড উন্নয়ন কাৰ্য্যালয়ত খণ্ড উন্নয়ন বিষয়াৰ পদসমূহ পদোন্নতিৰ (প্ৰমোচন) ভিত্তিত নিযুক্তি দিয়াৰ বাবে চৰকাৰৰ কিবা নীতি আছে নেকি?

(ঘ) যদি আছে কি শতাংশত পদোন্নতি (প্ৰমোচন) দিয়াৰ নীতি আছে?

শ্ৰীগনেশ কুটুম (পঞ্চায়ত মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান ৩৯ টা খণ্ড উন্নয়ন কাৰ্য্যালয়ত খণ্ড উন্নয়ন বিষয়া নাই। ইয়াৰে ১০ জন খণ্ড উন্নয়ন বিষয়া নিলম্বিত হৈ আছে।

(খ) অসম লোকসেৱা আয়োগৰ লিখিত আৰু মৌখিক বাচনি পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰাৰ বাবে ৫৮ জন ৩/এফ খণ্ড উন্নয়ন বিষয়াক চাকৰিৰ

পৰা বৰ্খাস্ত কৰা হয়। মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দ্দেশ মৰ্মে ইয়াৰ ৬ জন বৰ্খাস্ত কৰা বৰ্ত্তমানে স্থগিত ৰখা হয়। (গ) আৰু (ঘ) হয় আছে। শতকৰা ৫০ ভাগ পদ পদোন্নতিৰ ভিত্তিত নিযুক্তি দিয়াৰ ব্যৱস্থা আছে।

**Re : Total number of 30 bedded hospitals :**

Shri Aminul Islam asked :

147. Will the Minister, Health & F. W. Assam be pleased to State :

(a) How many 30 bedded Rural Hospitals have been sanctioned in the State since the present Government came to power ?

(b) What are the names of the locations of the aforesaid hospitals and in which Legislative Assembly Constituencies they fall ?
(furnish the list on the table of the House constituency wise)

(c) The names of the Hospitals, Constructions of which have been completed and the names of which building are yet to be completed (furnish the list on the table of the House) ?

(d) The name of the constituency, where no hospitals have been sanctioned ?

Shri Samsing Hanse (Minister, Health & F.W.) replied :

(a) 68 Nos of 30 bedded hospitals.

(b) Constituency wise location is not maintained. However a Districtwise location of the Hospitals is placed on the table of the House. (See the list at Annexure III)

(c) & (d) The information is not readily available and is being collected.

বিষয় : উপ-স্বাস্থ্য কেন্দ্ৰ স্থাপন।

শ্ৰীকুমাৰ দীপক দাসে সুধিছে :

১৪৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাত নতুনকৈ উপ-স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ চৰকাৰে লৈছে নেকি ?

(খ) যদি লৈছে পথাৰহাটী, বাৰাদী, গুৱাগাছা, মৌটুপুৰী, দক্ষিণ কাউৰ-পাৰাত এনে উপ-স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ কাম ১৯৮৯-৯০ বিত্তীয় বছৰত আৰম্ভ কৰিব পৰা যাব নেকি?

শ্ৰীচামছিং হান্সে (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) হয় লৈছে।

(খ) পথাৰহাটী আৰু দক্ষিণ কাউৰপাৰাত কোনো উপস্বাস্থ্য কেন্দ্ৰৰ মঞ্জুৰী দিয়া হোৱা নাই। বাৰাদী, গুৱাগাছা আৰু মৌটুপুৰী উপস্বাস্থ্য কেন্দ্ৰ ভাড়া ঘৰত চলি আছে।

বিষয়: ডুৱাগাওঁত ৰেচম পাম।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে:

১৪৯। মাননীয় ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বৰপেটা জিলাৰ ডুৱাগাওঁত এখন ৰেচম পাম খোলাৰ বাবে চৰকাৰৰ হাতত আঁচনি আছে নেকি?

(খ) যদি আছে, এই আঁচনিখন কেতিয়া লোৱা হৈছিল?

(গ) এই আঁচনিখন কাৰ্য্যকৰী কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) হয়, আছে।

(খ) বৰপেটা জিলাৰ ডুৱাগাওঁত ১৯৮৬-৮৭ চনতে এটা এড়ি কেন্দ্ৰ খুলিবলৈ প্ৰস্তাৱ লোৱা হৈছিল।

(গ) ধনৰ আবণ্টন পালেই আঁচনিখন কাৰ্য্যকৰী কৰা হব।

**Re: Purchase Board of Health Department.**

Shri Abdul Muqtadir Choudhury asked:

150. Will the Minister, Health & F. W. Assam be pleased to state:

(a) Whether there is a Purchase Board for purchase of medicine and other instruments in the Health Departments.

(b) Who are the members of the said board and how many meetings of the Purchase Board was held during 1988-89.

Shri Samsing Hanse (Minister, Health & F. W.) replied :

(a) Yes, but there are four Purchase Boards in the Health Department.

(b) Names of the member and number of meetings held during 1988-89 are shown in Annexure I, II, III, & IV.

(See the list at Annexure IV, V, VI, & VII)

**Re : Procedure followed for bringing of salt.**

Sri A.F. Golam Osmani asked :

151. Will the Minister, Food and Civil Supplies be pleased to state :

(a) Procedure followed by the Government for bringing of Salt ?

(b) The quantity of Salt brought in 1988-89 ?

(c) Total number of railway wagons made available for the purpose ?

(d) Name of the private traders selected to bring Salt ? [ Please furnish names with number of wagons alloted against each and the quantity of Salt to be imported ].

(c) Price of Salt in the market now ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দছে :

(ক) কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দ্ধাৰিত আঞ্চলিক নিমখৰ আৱণ্টন পোৱাৰ পিচত, ৰাজ্য চৰকাৰে সেই নিমখ অনাৰ বাবে নিমখৰ আমদানি অনুজ্ঞা পত্ৰ থকা বিভিন্ন ব্যৱসায়ীক পুনৰ আৱণ্টন দিয়ে। সেই আৱণ্টন

কেন্দ্ৰীয় চৰকাৰৰ নিমখ আয়ুক্তই অনুমোদন কৰাৰ পিচত ৰেল পৰিষদে ৰেলৰ ওৱাগন যোগান ধৰে।

(খ) ১৯৮৮-৮৯ চনত ১,২৯,৬০০ মেট্ৰিকটন নিমখ আমদানি কৰা হয়।

(গ) ৩৬০০ টা ৰেলৰ ওৱাগন পোৱা হয়।

(ঘ) ১৯৮৮-৮৯ চনত নিমখ আবণ্টন দিয়া ব্যৱসায়ী সকলৰ নামৰ তালিকা দিয়া হ'ল। (See the list at Annexure VIII)

(ঙ) বৰ্ত্তমান বজাৰত প্ৰতি কিলোগ্ৰাম নিমখৰ দাম ৭৮ পইচাৰ পৰা ১.০০ [এক] টকাৰ ভিতৰত।

Re : **Hospital of Mangaldoi sub-division**

Shri Abdul Jabbar asked :

152. Will the Minister Health & F. W. Assam be please to state ?

